NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বিদেশমন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰজু ৰানা দেউবাৰ সৈতে বৈঠকত মিলিত হয়।

২ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে নতুন দিল্লীত আজি ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ কামকাজৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৩। সমগ্ৰ দেশজুৰি আজি ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক উজলাই তোলাৰ পৱিত্ৰ উৎসৱ ৰাখী বন্ধন পালন কৰা হয়।

৪। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে কৈছে যে সমাজক নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়োৱা চিকিৎসক সকলক সুৰক্ষা প্ৰদান কৰাটো ৰাজ্য চৰকাৰসমূহৰ অন্যতম দায়িত্ব। *আৰু*

৫। ১৫খন গ্লোবেল চাউথ দেশৰ ৩০ গৰাকী স্বাস্থ্য নীতি নিৰ্ধাৰক আৰু বিশেষজ্ঞ আজিৰে পৰা চাৰি দিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিছে।

০০০০০০০

বিদেশমন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰজু ৰানা দেউবাৰ সৈতে বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই শক্তি, উদ্যোগ, যোগাযোগ আৰু আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰত ভাৰত আৰু নেপালৰ বহুমুখী দ্বিপাক্ষিক সহযোগিতাৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে ড০ জয়শংকৰে নেপালে ভাৰতলৈ প্ৰায় এহেজাৰ মেগাৱাট বিদ্যুৎ ৰপ্তানি কৰিব বুলি প্ৰকাশ কৰে। ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু অনন্য সাংস্কৃতিক যোগাযোগে দুয়ো দেশৰ মাজৰ সম্পৰ্কক আগুৱাই লৈ যাব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

উল্লেখযোগ্য যে নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰজু ৰানা দেউবা ড০ জয়শংকৰৰ আমন্ত্ৰণ মৰ্মে ৫ দিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। বিদেশ মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে ভাৰত আৰু নেপালৰ মাজৰ শীৰ্ষ পৰ্যায়ৰ নিয়মীয়া বিনিময় কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ড০ দেউবা এই ভ্ৰমণলৈ আহিছে। মন্ত্ৰালয়ে লগতে কয় যে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিত নেপাল হৈছে এখন অগ্ৰাধিকাৰৰ দেশ। তেওঁৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে এই সম্পৰ্ক অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব।

০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে নতুন দিল্লীত আজি ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ কামকাজৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত বিত্তীয় সেৱা বিভাগৰ সচিব ড০ বিবেক যোশীৰ লগতে ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ পৰিচালন সঞ্চালক, মুখ্য কাৰ্যবাহী বিষয়া আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰী সীতাৰমণে বেংকসমূহত জমা ধনৰ বৃদ্ধি, ঋণ-জমা অনুপাত আৰু সম্পত্তি মানৰ পৰ্যালোচনা কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে কেন্দ্ৰীয় চৰকাৰৰ পি এম আৱাস যোজনা, পি এম সূৰ্য ঘৰ আৰু পি এম বিশ্বকৰ্মা আঁচনিৰ দৰে পদক্ষেপসমূহৰ অধীনত ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ কাম-কাজৰ মূল্যায়ন কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ তৃতীয়টো কাৰ্যকালত বিত্ত বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত শ্ৰী সীতাৰমণৰ এয়া আছিল ৰাজহুৱা খণ্ডৰ বেংকৰ প্ৰথমখন পৰ্যালোচনা বৈঠক। বিত্তমন্ত্ৰীগৰাকীয়ে আঞ্চলিক গ্ৰামীণ বেংকসমূহৰ কামকাজৰো পৰ্যালোচনা কৰিব।

০০০০০০০

সমগ্ৰ দেশজুৰি আজি ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক উজলাই তোলাৰ পৱিত্ৰ উৎসৱ ৰাখী বন্ধন পালন কৰা হয়। এই উৎসৱত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙৰ ৰাখী বান্ধি তেওঁলোকৰ সু-স্বাস্থ্য আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। আনহাতে ভাতৃয়ে ভগ্নীৰ সুৰক্ষা আৰু সন্মান ৰক্ষাৰ প্ৰতিশ্ৰুতিৰে তেওঁলোকক উপহাৰ প্ৰদান কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ভাতৃ-ভগ্নীৰ পৱিত্ৰ বন্ধনৰ উৎসৱ ৰাখী বন্ধন পালন কৰা হয়। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত তথা এটা স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত পৰিচালিত সোণাপুৰ চৰকাৰী বৃদ্ধাবাসত আয়োজিত ৰাখী বন্ধনৰ কাৰ্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰীয়ে লগতে বৃদ্ধাশ্ৰমখনৰ আবাসীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে গুৱাহাটীৰ এটা বৃদ্ধাবাসত ৰাখী বন্ধনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাৰ ৰাজ ভৱনত ৰাখী বন্ধন উপলক্ষে সৈনিকসকলৰ বাবে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত ত্ৰিপুৰাৰ ৰাজ্যপাল ইন্দ্ৰ সেনা ৰেড্ডী নল্লুয়ে সমাজত নাৰী সুৰক্ষাৰ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি নাৰীসকলৰ সুৰক্ষাৰ প্ৰতি সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ লগতে নাৰীৰ বিৰুদ্ধে সঘনাই ঘটিবলৈ লোৱা আক্ৰমণ তথা নিৰ্যাতনৰ ঘটনাসমূহক লৈ উদ্বেগ প্ৰকাশ কৰে। ৰাখী বন্ধনৰ উৎসৱে সমাজত ভাতৃসকলক তেওঁলোকৰ ভগ্নীসমূহৰ প্ৰতি থকা দায়িত্ব সম্পৰ্কে সজাগ কৰি তোলে বুলিও ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব সংস্কৃত দিৱস উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে তেওঁ ভাষাটোৰ প্ৰতি অনুৰাগী, শ্ৰদ্ধাশীল আৰু সংস্কৃত ভাষাৰ প্ৰসাৰৰ হকে কাম কৰি থকা সকলো লোককে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

ৰাজ্যসভাৰ উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছ নেতা অভিষেক মনু সিংভিয়ে আজি তেলেংগানাৰ পৰা দলৰ প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱন্থ ৰেড্ডী, কেইবাগৰাকীও মন্ত্ৰী আৰু এ আই চি চি তেলেংগানাৰ তত্বাৱধায়ক দীপা দাস মুন্সীয়ে তেওঁক সংগ দিয়ে।

০০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে কৈছে যে সমাজক নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়োৱা চিকিৎসক সকলক সুৰক্ষা প্ৰদান কৰাটো ৰাজ্য চৰকাৰসমূহৰ অন্যতম দায়িত্ব। আকাশবাণী চেন্নাইত আজি সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাটোৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, চিকিৎসকৰ সুৰক্ষাৰ বিষয়টোত ৰাজ্য চৰকাৰসমূহে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশাৱলী মৰ্মে যথোচিত পদক্ষেপ গ্ৰহণ কৰাটো অতিকৈ আৱশ্যকীয়।

সংবাদ মাধ্যমসমূহৰ সকলোধৰণৰ কাৰ্যপ্ৰণালী পৰ্যৱেক্ষণ কৰি থকা মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে জনসাধাৰণক অৱগত কৰাটো সংবাদ মাধ্যমৰ কৰ্তব্য। জনকল্যাণমূলক আঁচনিসমূহৰ বিষয়ে সংবাদ মাধ্যমে নিয়মীয়াকৈ তথ্য প্ৰচাৰৰ ব্যৱস্থা কৰা উচিত বুলিও ড০ মুৰুগনে লগতে মন্তব্য কৰে। আজিৰ পৰ্যালোচনা বৈঠকত তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, কেৰালা, তেলেংগানা আৰু পুডুচেৰীৰ PRESS INFORMATION BUREAU, কেন্দ্ৰীয় যোগাযোগ সংস্থা, প্ৰকাশন বিভাগ, আকাশবাণী আৰু দূৰদৰ্শনৰ লগতে আন কেইবাটাও সংস্থাৰ আঞ্চলিক মুৰব্বীসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

১৫খন গ্লোবেল চাউথ দেশৰ ৩০ গৰাকী স্বাস্থ্য নীতি নিৰ্ধাৰক আৰু বিশেষজ্ঞ আজিৰে পৰা চাৰি দিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিছে। বিদেশ মন্ত্ৰালয়ে স্বাস্থ্য মন্ত্ৰালয় আৰু ইণ্ডিয়ান ফাৰ্মাকোপিয়া কমিছন আই পি চিৰ সহযোগিতাত এই ভ্ৰমণসূচীৰ আয়োজন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি নতুন দিল্লীত কাৰ্যসূচী মুকলি কৰে। ভ্ৰমণৰ সময়ছোৱাত গ্লোবেল চাউথৰ নীতি নিৰ্ধাৰক আৰু বিশেষজ্ঞসকলে ভাৰতীয় বিশেষজ্ঞসকলৰ সৈতে আলোচনাত মিলিত হ'ব আৰু ভাৰতীয় ফাৰ্মাকোপিয়াৰ স্বীকৃতি, সামৰ্থ বৃদ্ধি আৰু গুণগত নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহযোগিতা বিকাশৰ বিষয়ে চিন্তা-চৰ্চা কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰ অধীনত গ্লোবেল চাউথৰ ৩০ গৰাকী বিশেষজ্ঞই আগ্ৰা আৰু হায়দৰাবাদ ভ্ৰমণ কৰি তাত থকা জনৌষধি কেন্দ্ৰসমূহ, ঔষধ তথা প্ৰতিষেধক উৎপাদনকাৰী কেন্দ্ৰ আৰু গৱেষণা পৰীক্ষাগাৰসমূহ পৰিদৰ্শন কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **মহাকাশ খণ্ডত সুযোগ বৃদ্ধি** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত নতুন দিল্লীৰ ক্ষেত্ৰীয় দূৰ সংবেদন কেন্দ্ৰ, উত্তৰ NRSCৰ উপ মহাপ্ৰৱন্ধক ড০ সমীৰ সাৰন আৰু ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছ্ৰোৰ উপসঞ্চালক নন্দিনী হৰিনাথে অংশগ্ৰহণ কৰিব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি মহাকাশ খণ্ডত কেৰিয়াৰ সুযোগ সন্দৰ্ভত বিশেষজ্ঞ দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

oooooooo

সমাপ্ত